**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

---

১। ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলৰ তৎপৰতা বৃদ্ধি।
২। উপ-নিৰ্বাচনৰ বাবে বিজেপিৰ তিনিটা আৰু কংগ্ৰেছৰ ৪টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা।
৩। ব্ৰিকছ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ৰাছিয়ালৈ।
৪। অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষক লৈ উচ্চতম ন্যায়ালয়ৰ ৰায়দান সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিক্ৰিয়া প্ৰকাশ। **আৰু**
৫। কাজাখস্থানত আয়োজিত অলমেটি অ'পেন ২০২৪ এটিপি-250 টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছ শাখাত ভাৰতৰ অৰ্জুন কাধে আৰু ঋত্বিক বল্লিপাল্লিৰ খিতাপ অৰ্জন।

০০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। শাসকীয় বিজেপিয়ে কালি ৩টা সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ বিপৰীতে কংগ্ৰেছ দলেও চাৰিটা সমষ্টিৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰে। বিজেপিয়ে ধলাই আসনত নিহাৰ ৰঞ্জন দাস, বিহালীত দিগন্ত ঘাটোৱাৰ আৰু চামগুৰিত দিপ্লুৰঞ্জন শৰ্মাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। আনহাতে কংগ্ৰেছ দলে ধলাই সমষ্টিৰ বাবে ধ্ৰুৱজ্যোতি পুৰকায়স্থ, ছিদলী সমষ্টিত সঞ্জীৱ ওৱাৰী, বঙাইগাঁৱত ব্ৰজেনজিৎ সিনহা আৰু চামগুৰি সমষ্টিৰ বাবে তানজিল হুছেইনৰ নাম প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। উল্লেখযোগ্য যে বঙাইগাওঁ, ছিদলী, ধলাই, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

বঙাইগাঁও বিধানসভা সমষ্টিত কংগ্ৰেছ দলে ব্ৰজেনজিৎ সিনহাক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। আনহাতে বিজেপি মিত্ৰজোঁটৰ অগপ দলে প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰা নাই। সমষ্টিটোৰ উপ-নিৰ্বাচনৰ সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা তেজছ ত্ৰিপাঠীৰ প্ৰতিবেদনঃ

**ভইচ কাষ্ট (তেজছ ত্ৰিপাঠী)**

আনহাতে ধলাই সমষ্টিৰ নিৰ্বাচনী প্ৰস্তুতি তথা প্ৰাৰ্থিত্ব সন্দৰ্ভত আকাশবাণীৰ কৰিমগঞ্জৰ সংবাদদাতা জাকাৰিয়া ৰহমানে এইদৰে কয়-

**ভইচ কাষ্ট (জাকাৰিয়া ৰহমান)**

৩১ নম্বৰ ছিদলী বিধানসভা সমষ্টিৰ বাবেও নিৰ্বাচনী তৎপৰতা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। সমষ্টিটোৰ বাবে কংগ্ৰেছ দলে ইতিমধ্যে প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ বিপৰীতে শাসকীয় মিত্ৰজোঁটে বৰ্তমানলৈ প্ৰাৰ্থীৰ নাম চূড়ান্ত কৰা নাই। সমষ্টিটোৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত আকাশবাণীৰ চিৰাঙৰ সংবাদদাতা কুঞ্জমোহন ৰায়ে আমাক এনেদৰে জানিবলৈ দিয়ে-

**ভইচ কাষ্ট** (কুঞ্জমোহন ৰায়)

উল্লেখযোগ্য যে উপ-নিৰ্বাচন হ'বলগীয়া ৰাজ্যৰ সমষ্টিকেইটাত ভাৰতীয় ন্যায় সংহিতাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নগাঁও জিলাৰ ছপাশালসমূহত পুস্তিকা, পোষ্টাৰ আদি ছপাৰ ক্ষেত্ৰত

জনপ্ৰতিনিধিত্ব আইন ১৯৫১ ৰ ১২৭ (ক) ধাৰাত থকা নিষেধাজ্ঞা সমূহ মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে। তদুপৰি ৰাজনৈতিক দল বা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ দ্বাৰা নিৰ্বাচন আয়োগ আৰু জিলা প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে জনসমাগম, শোভাযাত্ৰা, ৰাজহুৱা সভা আদি অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। পূৰ্বে অনুমতি ল'লেও কোনো দল অথবা প্ৰাৰ্থীয়ে নিশা দহ বজাৰ পাছত নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব। একেদৰে উচতনিমূলক, সাম্প্ৰদায়িক, ৰাষ্ট্ৰবিৰোধী, জাতীয়তা বিৰোধী ভাষণ বা শ্লোগান, আপত্তিজনক আৰু বিভিন্ন বৰ্ণ, ভাষিক বা ধৰ্মীয় গোটক আঘাত হানিব পৰা বিষয় লৈ যুগুত কৰা বেনাৰ-পোষ্টাৰ আদিও নিষিদ্ধ কৰা হৈছে। যিকোনো উদ্দেশ্যৰ বাবে অনুদান সংগ্ৰহৰ লগতে আগ্নেয়াস্ত্ৰ, বিস্ফোৰক সামগ্ৰী আদি কঢ়িয়াই নিয়াৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অৱশ্যে আইন প্ৰয়োগকাৰী কৰ্মী, চৰকাৰী বিষয়া-কৰ্মচাৰী আদিৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোড়শ ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকা অৰ্থাৎ ব্ৰিকছ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি ৰাছিয়ালৈ যাব। এই সন্মিলনৰ সময়তে তেওঁ সদস্য ৰাষ্ট্ৰৰ নেতা তথা অন্যান্য আমন্ত্ৰিত ব্যক্তিসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ব্ৰিকছৰ সদস্য ৰাষ্ট্ৰৰ সংখ্যা ৯ লৈ বৃদ্ধি পোৱাৰ পাছত এইবাৰ প্ৰথমবাৰৰ বাবে এই সন্মিলন অনুষ্ঠিত হৈছে। ২০২৩ চনত দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত ব্ৰিকছ সন্মিলনত ইজিপ্ত, ইৰাণ, ইথিঅ'পিয়া আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰক অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছিল। বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি প্ৰধানমন্ত্ৰী মোদীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ আমন্ত্ৰণমৰ্মে কাইলৈ আৰু পৰহিলৈ কাজানত অনুষ্ঠিত ব্ৰিকছ সন্মিলনত অংশ ল'ব। এইবাৰৰ এই সন্মিলনৰ বিষয় হৈছে- **গোলকীয় বিকাশ আৰু সুৰক্ষাৰ বাবে বহুপাক্ষিকতা শক্তিশালী কৰা**।

এই সন্মিলনে বিশ্বৰ নেতাসকলক গুৰুত্বপূৰ্ণ গোলকীয় বিষয় সন্দৰ্ভত আলোচনা কৰাৰ বাবে এখন মঞ্চ প্ৰদান কৰিব। তদুপৰি এই সন্মিলনে ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীয়ে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰা তথা ভৱিষ্যতৰ সহযোগিতাৰ সম্ভাৱনাময় ক্ষেত্ৰসমূহ চিনাক্ত কৰাৰ ক্ষেত্ৰত বিশেষ সুযোগ প্ৰদান কৰিব।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ শ্ৰম আৰু নিয়োগ দপ্তৰৰ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি নতুন দিল্লীত অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলৰ সুচলতাৰ বাবে ই-শ্ৰম পোৰ্টেল মুকলি কৰিব। এই মঞ্চৰ জৰিয়তে অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলে বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা সহজে লাভ কৰিব। এই পদক্ষেপৰ প্ৰাথমিক লক্ষ্য হৈছে - একক মঞ্চৰ জৰিয়তে সক্ৰিয়ভাৱে অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলৰ বাবে থকা সকলো সামাজিক সুৰক্ষা তথা কল্যাণমূলক আঁচনিৰ হিতাধিকাৰীৰ বিষয়ে তথ্য যুগুত কৰা। এই পদক্ষেপে অসংগঠিত ক্ষেত্ৰৰ কৰ্মীসকলক তেওঁলোকৰ বাবে থকা আঁচনিসমূহ সন্দৰ্ভত সজাগ কৰি তুলিব।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই, অসমত বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ, ১৯৭১ চন বাহাল থাকিব বুলি কৰা উচ্চতম ন্যায়ালয়ৰ ৰায়দানক ঐতিহাসিক হিচাপে অভিহিত কৰিব নোৱাৰি বুলি মত প্ৰকাশ কৰিছে। তেওঁ কয় যে অসমৰ গৰিষ্ঠ সংখ্যক লোকে বিদেশী নাগৰিক চিনাক্তকৰণৰ ভিত্তিবৰ্ষ ১৯৫১ চন হোৱাটো বিচাৰিছিল।

এই ৰায়ে মনত সুখ আৰু দুখৰ মিশ্ৰিত অনুভূতিৰ সৃষ্টি কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমবাসীয়ে সকলো প্ৰত্যাহ্বান নেওচি সফলতাৰ পথত আগবাঢ়ি আহিছে আৰু ভৱিষ্যতেও আগবাঢ়ি যাব।

*(ৰাইট)*

উল্লেখযোগ্য যে যোৱা ১৭ অক্টোবৰত ন্যায়ালয়ে অসম সন্মিলিত মহাসংঘৰ আবেদনৰ ভিত্তিত গোচৰটোৰ শুনানি গ্ৰহণ কৰিছিল।

০০০০০০

আজি বিশ্ব আয়'ডিনৰ অভাৱজনিত বিসংগতি প্ৰতিৰোধ দিৱস। এই দিৱসৰ সৈতে সংগতি ৰাখি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমে জনসাধাৰণক আয়'ডিনৰ অভাৱত হোৱা বিসংগতিসমূহ প্ৰতিৰোধ কৰিবলৈ আয়'ডিনযুক্ত নিমখ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে, দৈনিক প্ৰতিগৰাকী ব্যক্তিৰ বাবে ১৫০ মাইক্ৰ'গ্ৰাম আয়'ডিনৰ প্ৰয়োজন হয়।

০০০০০০

আকাশবাণী গুৱাহাটী যুৱবাণীৰ সংগীত শিল্পী হিচাপে স্বীকৃতিৰ বাবে অফলাইন আবেদনৰ ব্যৱস্থা মুকলি কৰা হৈছে। অসমীয়া আধুনীক গীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, বৰগীত ভজন, গজল, খেয়াল, ৰবীন্দ্ৰ সংগীত, বাদ্যসংগীত আৰু লোক বাদ্য সংগীত শিতানৰ একক শাখাত আৰু দলীয় শাখাত জিকিৰ-জাৰী, বিহুগীত, টোকাৰী গীত, দিহানামত ইচ্ছুক প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। উল্লেখযোগ্য যে দলীয় শাখাত বাদ্য শিল্পীসহ ৫ ৰ পৰা ৮ জন সদস্যহে থাকিব পাৰিব তথা দলৰ সদস্যসকলৰ ফটো সংলগ্ন কৰি সকলোৰে নাম উল্লেখ কৰিব লাগিব। আবেদনকাৰীয়ে আবেদন প্ৰ-পত্ৰ, অনলাইন মাচুল পৰিশোধৰ বাবে যাবতীয় তথ্য আৰু নিয়মাৱলী আকাশবাণী গুৱাহাটী ফেচবুক পেজ এ আই আৰ গুৱাহাটীৰ পৰা ডাউলনোড কৰিব পাৰিব অথবা আকাশবাণী গুৱাহাটীৰ অভ্যৰ্থনা কক্ষৰ পৰা সংগ্ৰহ কৰিব পাৰিব। উল্লেখযোগ্য যে, আবেদন প্ৰ-পত্ৰ পূৰ কৰি ২৫ অক্টোবৰৰ ভিতৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভ্যৰ্থনাকক্ষত জমা দিব লাগিব।

০০০০০০

ৰাষ্ট্ৰীয় মূল্যাংকন আৰু প্ৰত্যাপন পৰিষদ- NAACৰ মূল্যায়নত শদিয়া মহাবিদ্যালয়ে ২ দশমিক ৪ CGPA ৰে বি-গ্ৰেড লাভ কৰিবলৈ সমৰ্থ হৈছে। আনহাতে নলবাৰীৰ মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ে ২ দশমিক ৮-৫ CGPA ৰে বি-ডাবল প্লাছ গ্ৰেড লাভ কৰে।এই সাফল্যৰ বাবে শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগুৱে দুয়োখন মহাবিদ্যালয়ক অভিনন্দন জনাইছে।

০০০০০০

শিৱসাগৰ নগৰৰ ব'ৰ্ডিং খেলপথাৰত কালি অনুষ্ঠিত নৰম গ্ৰন্থমেলাত লেখিকা উৰুলি কাশ্যপৰ দুখন গ্ৰন্থ উন্মোচন কৰা হয়। ড০ মাধুৰ্য মণ্ডিত বৰুৱাই **সাহিত্য প্ৰাচ্য-প্ৰতীচ্য** আৰু শিৱসাগৰ জিলাৰ শিক্ষা বিষয়া দেৱজ্যোতি গগৈয়ে **চিঠি এখন লিখিবনে আপুনি** শীৰ্ষক কাব্যগ্ৰন্থখন উন্মোচন কৰে। উল্লেখযোগ্য যে গ্ৰন্থ উন্মোচনী সভাত বিশিষ্ট সাহিত্যিক, শিক্ষাবিদৰ লগতে বহুকেইগৰাকী ব্যক্তি উপস্থিত থাকে।

০০০০০০

লখিমপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত অহা ৩০ অক্টোবৰত শ্ৰৱণেন্দ্ৰিয় বাধাগ্ৰস্ত লোকৰ বাবে শ্ৰৱণ যন্ত্ৰ বিতৰণ কৰা হ'ব। এই উদ্দেশ্যে সংশ্লিষ্ট লোকসকলক চিকিৎসালয়খনত কাণৰ পৰীক্ষা কৰাই প্ৰতিবেদন জমা দিবলৈ বিভাগীয় কৰ্তৃপক্ষই আহ্বান জনাইছে। উল্লেখযোগ্য যে কাণেৰে নুশুনা লোকে বিপিএল

কাৰ্ড, আধাৰ কাৰ্ড, দুকপি ফটো, ৰাষ্ট্ৰীয় শিশু কাৰ্যক্ৰম কাৰ্ড জমা দিব লাগিব বুলি কৰ্তৃপক্ষৰ উদ্ধৃতিৰে আমাৰ সংবাদদাতাই জনাইছে।

oooooo

ভাৰতৰ অৰ্জুন কাধে আৰু ঋত্বিক বল্লিপাল্লিয়ে কালি কাজাখস্থানত আয়োজিত অলমেটি অ'পেন ২০২৪ এটিপি-250 টেনিছ প্ৰতিযোগিতাত পুৰুষৰ ডাবলছ শাখাৰ খিতাপ অৰ্জন কৰিছে। কাধে আৰু বল্লিপাল্লিয়ে কলম্বিয়াৰ নিক'লাছ বেৰিয়নট'ছ আৰু টিউনিছিয়াৰ স্কেন্দাৰ মনচৌৰিক ছুপাৰ টাইব্ৰেকাৰত পৰাস্ত কৰি এই খিতাপ অৰ্জন কৰে। ভাৰতীয় টেনিছ খেলুৱৈদ্বয়ে বিগত বৰ্ষত ইটালীৰ অ'লবিয়াত চেলেঞ্জাৰ খিতাপ অৰ্জন কৰাৰ পাছত এইবেলি ছেমি ফাইনেলত জাৰ্মানীৰ জেক'ব স্নেইটাৰ আৰু মাৰ্ক ৱালনাৰৰ যুটীটোক পৰাস্ত কৰি তেওঁলোকৰ প্ৰথমখন এটিপি ফাইনেলত খেলাৰ সুযোগ লাভ কৰে।

oooooo

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক অসম কাকতে কেন্দ্ৰই ধন নিদিয়াত সংকটত অসম, অসমীয়া প্ৰতিদিন কাকতে পূজাৰ উচাহৰ মাজতে চিকিৎসা মাচুল বৃদ্ধি, নিয়মীয়া বাৰ্তা কাকতে ভংগ হোৱাৰ উপক্ৰম অসম সন্মিলিত মঞ্চ শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

শৰণাৰ্থীক দিছপুৰৰ ভূমি দান, অট্টালিকা ক্ৰয়ত ৪০ শতাংশলৈ বৃদ্ধি পঞ্জীয়ন মূল্য, বিহালীৰ বিদ্ৰোহত বিধবস্ত বিৰোধী শিৰোনামেৰে ক্ৰমে আমাৰ অসম, দৈনিক অগ্ৰদূত আৰু অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি প্ৰকাশ কৰিছে।

মিছন বসুন্ধৰাৰ তৃতীয় সংস্কৰণৰ শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই খিলঞ্জীয়াৰ ভূমিৰ অধিকাৰ নিশ্চিত কৰা হৈছে বুলি মন্তব্য কৰা বাতৰি অসমীয়া প্ৰায়কেইখন বাতৰি কাকতৰ লগতে দ্যা ছেণ্টিনেল আৰু দি আছাম ট্ৰিবিউন কাকতে ক্ৰমে CM launches Mission Basundhara 3.0 আৰু Third phase of Mission Basundhara launched শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

১৫ নৱেম্বৰৰ পাছত মন্ত্ৰীপৰিষদৰ সম্প্ৰসাৰণ এই বাতৰিটো দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। কাকতখনে পুৰীত দ্বিতীয় ইণ্ডিয়ান লাইট হাউচ ফেষ্টিভেল মুকলি কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি লাইট হাউচ স্থাপনৰ দিশত গুৰুত্ব আৰোপ কৰাৰ বাতৰিটোকো স্থান দিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত গ্ৰেপ্তাৰ হোৱা দুৰ্নীতিগ্ৰস্ত কৰ্মচাৰীসকলৰ ভিতৰত মণ্ডলেই সৰ্বাধিক বুলি কৰা মন্তব্য নিয়মীয়া বাৰ্তা কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

পানী শুকাই মহাবাহুৰ বক্ষ তৰাং হোৱাৰ ফলত নিমাতী-কমলাবাৰী পাৰঘাট অনিৰ্দিষ্ট কাললৈ বন্ধ কৰাৰ বাতৰিটো প্ৰায় কেইখন কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কমলা হেৰিছেৰে ক্ৰমাৎ ট্ৰাম্পৰ সৈতে থকা ব্যৱধান কমিছে বুলি উল্লেখ কৰি আমাৰ অসম কাকতে এটা বাতৰি প্ৰকাশ কৰিছে। মাজুলী-যোৰহাট দলঙৰ কাম বন্ধ হৈ থকাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী গুৱাহাটীলৈ অহা বাতৰিটো কাকতখনে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আকাশলংঘী মূল্যবৃদ্ধিৰ ফলত জনজীৱন ব্যাহত হোৱাত দৈনিক অগ্ৰদূত কাকতে চলিব নোৱাৰি গুৱাহাটী এৰিছে বহুতে শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে। কাকতখনে ভাৰতত প্ৰথমবাৰলৈ খাদ্য-সামগ্ৰীৰ ঘৰুৱা ব্যয় ৫০ শতাংশৰ অধিক হ্ৰাস হোৱাৰ বাতৰিটোকো গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – দুদিনীয়া উগুোনেছিয়া ভ্ৰমণ সামৰিলে বিদেশ দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই, বিস্ফোৰণত কঁপিল দিল্লী- নিয়া-এছ্ এছ্ জিৰ তদন্ত, ৰাজ্যৰ ৫১ শতাংশ স্কুলত নাই ইণ্টাৰনেট-বিদ্যুৎবিহীনভাৱে ৬১ খন স্কুল, এ পি এছ্ চি মূল পৰীক্ষাৰ ফলাফল ঘোষণা, গুৱাহাটী বিশ্ব বিদ্যালয়ৰ দৰ্শন বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰববী অধ্যাপক ড০ গিৰীশ শৰ্মাৰ দেহাৱসান ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত